بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ১০ এপ্ৰিলত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - বৰ্তমানে কৰোণা মহামাৰীৰ আতংকত পৃথিৱীখনৰ যি অৱস্থা, যিয়ে আমাক আৰু বেলেগকও চিন্তিত কৰি তুলিছে। কিছুমান আহমদী সকলও এই বেমাৰে আক্ৰমণ কৰি পেলাইছে। মুঠতে এক আতংকময় সমস্যাই পৃথিৱীখনক গ্ৰাস কৰিছে। এজন মুৰববী মহাশয়ে মৌলৈ লিখিছে যে - বুজি পোৱা নাই এয়া কি হবলৈ লৈছে আৰু কি হৈছে। তেখেতৰ কথা ঠিক , প্ৰকৃততেই এনে হৈছে যে একো উৰাদিহ পাবলৈ পোৱা নাই যে এইবোৰ কি হৈ আছে পৃথিৱীখনত। আল্লাহ তায়ালা কোৰ-আন কৰিমত বৰ্তমান যুগৰ অৱস্থা সম্পৰ্কে কৈছে যে “ওয়া কালাল ইনছানু মালাহা” অৰ্থ্যাৎ মানুহে কব যে, ইয়াৰ হৈছে কি ? হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে ১৯২০ চনৰ ফেব্ৰুৱাৰী মাহত অৰ্থ্যাৎ আজিৰ পৰা এশ বছৰ আগত উক্ত অয়াতখনৰ চমু ব্যাখ্যা কৰিছে যে- আগতে সৰু সুৰা বেমাৰ বা বিপদে দেখা দিছিল কিন্তু এতিয়া এই যুগ এনেকুৱা যে, ইয়াত আহি বিপদাৱলীৰ দুৱাৰ খুলি গৈছে। মইও যোৱা কেইবছৰ ধৰি এয়া কৈ আছো যে হজৰত মছিহ মাওউদ (আঃ)ৰ আগমনৰ পিছত আৰু যেতিয়াৰ পৰা তেখেত আঃ য়ে জগতবাসীক বিপদাৱলী আৰু আচমানী দুৰ্যোগ সম্পৰ্কে সতৰ্ক কৰিছে, পৃথিৱীত ধুমুহা, ভূমিকম্প, মহামাৰী আদিৰ প্ৰকোপ বৃদ্ধি পাই গৈছে। সাধাৰণতে মানুহক এইবোৰ বেমাৰ আৰু বিপদে সতৰ্ক কৰিবলৈহে আহি আছে যে তোমালোকে নিজৰ সৃষ্টি কৰ্তাৰ প্ৰাপ্য অধিকাৰ প্ৰদান কৰা আৰু আল্লাহ তায়ালাৰ সৃষ্টি জীৱৰ অধিকাৰ প্ৰদান কৰা, তাৰ ভৃত্যৰ হকও আদায় দিয়া। গতিকে এনে পৰিস্থিতিত আমি আগতকৈ আৰু বেছি খোদা তায়ালাৰ আস্তানত নতশীৰ হব লাগিব আৰু মানৱ জাতিক সাৱধান কৰিব লাগিব। সাধাৰণতে কিছুমান বেমাৰ আৰু মহামাৰী নাইবা প্ৰচণ্ড ধুমুহা যেতিয়া পৃথিৱীত আবিৰ্ভাৱ হয় তেতিয়া সেইবোৰ প্ৰকৃতিগত ভাৱেই (কুদৰতি ভাৱেই) প্ৰত্যেকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে - হয়তো এয়া ঠিক যে কিছুমান বিপদ আছে , যাৰ লগত আমাৰ সম্পৰ্ক নাই। কিন্তু যিহেতু আমি এই পৃথিৱীখনতে থাকো, সেয়ে কোনো কোনো মহামাৰীয়ে আমাৰ ওপৰতও সংক্ৰামিত হব পাৰে। এনেকুৱা নহয় যে ইলাহি জমাতক সেইবোৰৰ পৰা সম্পুৰ্ণৰূপে নিৰাপদ ৰখা হব। তেখেত (ৰাঃ) য়ে কৈছে যে কাৰণ এয়া খোদা তায়ালাৰ বিধান বিৰুদ্ধ। কিন্তু মোমিন সকলে এইবোৰ সমস্যাৰ পৰা আল্লাহ তায়ালাৰ সমীপত নতশীৰ হৈ তাৰ শলাগী ভৃত্য হৈ পাৰ হৈ যায়। গতিকে আহি এই সমস্যা জৰ্জৰিত দিনবোৰত বিশেষভাৱে আল্লাহ তায়ালাৰ ওচৰত আগতকৈ বেছি নমনীয় হোৱাৰ চেষ্টা কৰা উচিত। কিছুমান লোকে মন্তব্য কৰে যে এই মহামাৰী এটা নিদৰ্শন স্বৰূপ, গতিকে কোনো সাৱধানতা  অৱলম্বনৰ প্ৰয়োজন নাই, বা চিকিৎসাৰও প্ৰয়োজন নাই। এনেকুৱা কৰাটো আৰু এনেকুৱা ধৰণৰ মন্তব্য দিয়াটো আনৰ মনোকষ্টৰ কাৰণ হব পাৰে। আমি নাজানো- এয়া কোনো নিদৰ্শন হয়নে, নহয়। কিন্তু অতি সাধাৰণ ভাৱে, মুঠতে আমি কব পাৰো যে হজৰত মছিহ মাওউদ (আঃ)ৰ আবিৰ্ভাৱৰ পিছত জমিনি (ভুপৃষ্ঠীয়) আৰু আচমানি দুৰ্যোগ আৰু বিপদাৱলীৰ বহু বেছি বাঢ়ি গৈছে। কিন্তু সেই বুলি এয়া হজৰত মছিহ মাওউদ (আঃ)ৰ সময়ত বিয়পি পৰা প্লেগৰ সৈতে তুলনা কৰা আৰু এনেকুৱা বিধৰ কতা কোৱা যে (নাউজুবিল্লাহ) যিজন আহমদী এই বেমাৰত আক্ৰান্ত হৈছে অথবা মৃত্যুবৰণ কৰিছে, তেওঁৰ ঈমান দুৰ্বল আছিল। এনেকুৱা কথা কোৱাৰ কাৰো অধিকাৰ নাই। প্লেগ (তাউন) হজৰত মছিহ মাওউদ (আঃ)ৰ সম্পৰ্ক এটা নিদৰ্শন স্বৰূপে বিয়পিছিল আৰু উক্ত বেমাৰত মৃত্যুবৰণ কৰা সকলক আঁহজৰত (ছাঃ)য়ে শ্বহীদ ঘোষনা কৰিছে। কিন্তু যিহেতু প্লেগ বেমাৰটো এটা নিচান স্বৰূপে বিয়পিছিল আৰু এই বিষয়ে আৰু উক্ত বেমাৰত মৃত্যুবৰণ কৰা সকলক আঁহজৰত (ছাঃ)য়ে শ্বহীদ ঘোষনা কৰিছে। কিন্তু যিহেতু প্লেগ বেমাৰটো এটা নিচান স্বৰূপে বিয়পিছিল আৰু এই বিষয়ে আল্লাহ তায়ালা হজৰত মছিহ মাওউদ (আঃ)ঃ)ক আগতিয়াকৈ জনাইছিল। গতিকে সেই তাউন (প্লেগ) যি হজৰত মছিহ মাওউদ (আঃ)ৰ সময়ত দেখা দিছিল তাৰ এটা বিশেষ গুৰুত্ব আছিল। সেই প্লেগ সম্পৰ্কে

হজৰত মছিহ মাওউদ (আঃ)য়ে মুফতি চাহাবক নিৰ্দেশ দিছিল যে আপুনি সংবাদ পত্ৰত এই বিষয়ে ঘোষনা কৰি দিয়ক আৰু মই মোৰ জমাতৰ নিমিত্তে দোৱা কৰোঁ যে ইহঁতক নিৰাপদে ৰাখক। কিন্তু তেখেত (আঃ)য়ে কৈছে যে কোৰ-আন কৰিমত এয়া প্ৰমান আছে যে যেতিয়া ইলাহি দুৰ্যোগ অৱতীৰ্ণ হয় তেতিয়া দুষ্টৰ সৈতে সন্তইও সেই আলৈ আথনিত জৰ্জৰিত কৈছে যে সংগঠিত হোৱা জিহাদত যি বিজয় হৈছিল সেয়া সকলো ইছলামৰ সত্যতাৰ নিদৰ্শন আছিল। আঁহজৰত (ছাঃ)ৰ লগত চাহাবা সকলে সেই যুদ্ধবোৰত অংশ লৈছিল। কিন্তু প্ৰত্যেক যুদ্ধতেই কাফিৰ সকলৰ লগে লগে মুছলমান সকলেও মৃত্যুবৰণ কৰিছিল। কৈছে যে যি সকলে মুছলমান তাত মৃত্যুবৰণ কৰিছিল, তেওঁলোকক শ্বহীদ বুলি কোৱা হয়। তেখেত (আঃ)য়ে কৈছে যে তেনেকৈয়ে তাউন (প্লেগ) মোৰ সত্যতাৰ এটা নিদৰ্শন স্বৰূপ আৰু সম্ভৱ যে এই প্লেগত মোৰ জমাতৰ কিছুমান মানুহেও শ্বহীদ হব। আকৌ তেখেত (আঃ)য়ে কৈছে যে সৰ্বপ্ৰথমে আল্লাহ তায়ালাৰ হক আদায় কৰা আৰু নিজৰ মন সকলো আকৰ্ষণৰ পৰা পৱিত্ৰ ৰাখা। ইয়াৰ পিছত বান্দাৰ হক প্ৰদান কৰা। আৰু কৈছে যে খোদা তায়ালাৰ ওপৰত প্ৰকৃত ঈমান স্থাপন কৰা। আৰু বিনম্ৰ ভাৱে খোদা তায়ালাৰ ওচৰত দোৱা কৰি থাকা আৰু এনেকুৱা দিন যেন এটাও নেথাকে যে তুমি খোদা তায়ালাৰ ওচৰত দোৱা কৰা নাই। আকৌ তেখেত (আঃ)য়ে কৈছে যে ইয়াৰ পিছত বাহিৰা আচবাব- পত্ৰ পৰিহাৰ কৰা। আকৌ কৈছে - তোমালোকৰ ভিতৰত যিজনে কুদৰতে ইলাহি তাউনত আক্ৰান্ত হৈ যাব তাৰ লগত আৰু আত্মীয়- ওৱাৰিছৰ সৈতে সকলোৱে সহানুভূতি প্ৰদৰ্শন কৰিবা আৰু সকলো প্ৰকাৰে তাৰ সহায় কৰিবা আৰু তাৰ চিকিৎসা সংক্ৰান্তে কোনো ধৰণৰ গাফিলাতি নকৰিবা। কিন্তু মনত ৰাখিবা যে সহানুভূতিৰ অৰ্থ এয়া নহয় যে বেমাৰী জনৰ বিষাক্ত শ্বাস-প্ৰশ্বাস নাইবা বস্তু আদিৰে পৰা তুমিও আক্ৰান্ত হৈ যোৱা।

গতিকে এইবোৰৰ পৰা আমি শিকি লোৱা উচিত যে, যিয়েই এনে ক্ষেত্ৰত সহায় কৰোঁতা হওঁক তেওঁ সাৱধানতা অৱলম্বন কৰা উচিত। উদাহৰণ স্বৰূপে যেনেকৈ বৰ্তমানে কোৱা হৈ আছে যে মাস্ক পিন্ধি লোৱা। অকাৰণতে বেলেগৰ ঘৰলৈ অহা যোৱা পৰিহাৰ কৰা। বহু সংখ্যক আহমদী খুদ্দাম (ডেকা) ভলেণ্টিয়েৰ হিচাপে আগবঢ়োৱা হৈছে, তেওঁলোকে সাৱধানতা আৰু দোৱাৰ সৈতে এই সহায় কাৰ্য্য পালন কৰক আৰু অসাৱধানতা পৰিহাৰ কৰক। অকাৰণে নিজকে মত্যুৰ মুখলৈ ঠেলি নিদিব। তেনেকুৱা কৰিলে হব মুৰ্খতা কোনো বীৰত্ব নহয়। গতিকে সচেতন ভাৱে সাৱধান থাকিব। আকৌ তেখেতে কৈছে যে দুৰ্ভাগ্যক্ৰমে যিয়ে এই বেমাৰত মৃত্যুবৰণ কৰিব, সি হল শ্বহীদ, তেওঁৰ নিমিত্তে গোচলৰ প্ৰয়োজন নাই বা নতুন কাফন পিন্ধোৱাৰও প্ৰয়োজন নাই। তেওঁৰ সৈতে যেন শ্বহীদৰ দৰে আচৰণ কৰা হয়। আকৌ তেখেত জোৰ দি কৈছে যে ঘৰখন পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰাখিব লাগিব। নিজৰ কাপোৰ কানি চাফ- চিকুন ৰাখিব, নলা-নৰ্দমা পৰিষ্কাৰ কৰি ৰাখিব। আকৌ কৈছে আটাইতকৈ গুৰুত্বপুৰ্ণ কথা হল যে নিজৰ মনটো পৱিত্ৰ ৰাখা আৰু খোদা তায়ালাৰ সৈতে সম্পুৰ্ণ মিত্ৰতা পাতি লোৱা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আমি মনত ৰখা উচিত যে আমাৰ বাবে দোৱাৰ মাধ্যমটো খোলা আছে আৰু খোদা তায়ালায় দোৱা শুনে। যদি কায়মনোবাক্যৰে তাৰ আগত নতশীৰ হোৱা যায় তেন্তে সি গ্ৰহনও কৰি লয়। সাধাৰণ ভাৱে নিজৰ নিমিত্তে, নিজৰ প্ৰিয়জনৰ কাৰণে, নিজৰ আত্মীয়ৰ বৰ্গৰ কাৰনে, জমাতৰ বাবে আৰু সমগ্ৰ মানৱ জাতিৰ নিমিত্তে দোৱা কৰা উচিত। আল্লাহ তায়ালা তেওঁলোকৰ ওপৰতও আৰু আমাৰ সকলোৰে ওপৰত দয়া কৃপা বৰ্ষন কৰক। আকৌ মই কব বিচাৰো যে বৰ্তমানে দোৱাৰ ওপৰত জোৰ দিয়ক। আল্লাহ তায়ালা জমাতৰ প্ৰত্যেকজন ব্যাক্তিক সকলো প্ৰকাৰে আৰু জমাতক সমুহীয়া ভাৱে সকলো ধৰণে নিজৰ ৰক্ষণা-বেক্ষণ আৰু নিৰাপদৰ বেষ্টনীত ৰাখক। আল্লাহ তায়ালা মোকেও আৰু আপোনালোককও দোৱা কৰিবলৈ আৰু দোৱা কবুল হোৱাৰ কল্যাণ লাভৰ তৌফিক দান কৰক।

হুজুৰ আনোৱাৰ (আঃ)য়ে কয় যে - মই এই কথাখিনিও কব বিচাৰো যে যি সকল আহমদীয়ে ব্যৱসায়, বেপাৰ, আদিত জড়িত আছে, তেওঁলোকে যেন এই দিন কেইটাত নিজৰ মাল বস্তুত অধিক লাভ অৰ্জনৰ চেষ্টা নকৰে। এয়া মানৱ সেৱাৰ দিন, যি সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ)য়েও শিক্ষা দি থৈ গৈছে যে সহায় সহানুভুতিৰ মানসিকতাক জন্ম দিয়া। মানৱাধিকাৰ প্ৰদান কৰাৰ এয়াই হল সময়। ইযাৰ জৰিয়তে খোদা তাযালাৰ সান্নিধ্য লাভ কৰাৰো সময়। আল্লাহ তায়ালা প্ৰত্যেকজনকেই ইয়াৰ তৌফিক দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এতিয়া মই এজন শীৰ্ষস্থানীয় মুখলিছ কৰ্মী আৰু ছিলছিলাৰ খাদিম মহতৰম

নাছেৰ আহমদ ছঈদ চাহাবৰ বিষয়ে উল্লেখনীয় কথাবোৰ আলোচনা কৰিম। এখেতে ২০২০ চনৰ ৫ এপ্ৰিলত কুদৰতে ইলাহিৰ অধীনত মৃত্যুবৰণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। আল্লাহ তায়ালাৰ কৃপাত তৃতীয় খিলাফতৰ পৰা লৈ মোৰ সময়লৈকে এখেতে কৰ্তব্য পালনৰ সৌভাগ্য লভিছে।

মৰহুম নাছেৰ ছঈদ চাহাব বহুতো গুণাৱলীৰ অধিকাৰ আছিল। বৰ ঈমানদাৰি শৃংখলাপুৰ্ণ ভাৱে নিজৰ দায়িত্ব পালনত ব্ৰতী আছিল। খিলাফতৰ সৈতে তেখেতৰ প্ৰগাঢ় স্নেহময় সম্পৰ্ক আছিল। তেখেতে নিজৰ পত্নী কুলছুম বেগম চাহিবা আৰু এজন পুত্ৰ খালিদ ছঈদক ইহ-সংসাৰত এৰি থৈ গৈছে। মৰহুজমৰ পুতেক খালিদ চাহাবেও ইচ্ছা কৰ্মী হিচাপে জমাতৰ সেৱা কৰি থাকে। আল্লাহ তায়ালা এখেতকও নিজৰ দেউতাকৰ দৰে বিশ্বাসী আনুগত্যশীল বনাওঁক আৰু দেউতাকৰ পতাংক অনুসৰণত তৌফিক দান কৰক। মৰহুম পত্নীক ধৈৰ্য্য আৰু শান্তি দান কৰক।

আদনান জাফৰ চাহাব (প্ৰাক্তন শিক্ষক ইউ,কে) লিখিছে যে মই নাছেৰ ছঈদ চাহাবক সুধিছিলো যে আপুনি মোক কোনো এটা নচিহত কৰক। তেতিয়া তেখেতে কৈছিল যে ইয়াত নিজৰ চকু আৰু কাণ খোলা ৰাখিবা, মুখ বন্ধ ৰাখিবা আৰু ইয়াৰে সৈতে দোৱা কৰি থাকিবা। এই নচিহত সাধাৰণতে প্ৰত্যেক ওয়াকফে জিন্দেগী সকলৰ বাবে অতি আৱশ্যকীয়। ইয়াৰ ওপৰত আমল কৰি যোৱা প্ৰত্যেক কৰ্মী আৰু জমাতৰ খিদমত কৰোঁতা সকলৰ বাবে জৰুৰী, প্ৰত্যেক পদৰীধাৰ সকলৰ বাবে জৰুৰী।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - মই উক্ত মৰহুমৰ জানাজা গায়েব ইনশা আল্লাহ পিছত কেতিয়াবা পঢ়াম। নিজৰ খিদমত, নিজৰ শপত, বিশ্বাসেৰে সৈতে পালন কৰি মৰহুমে ফানি (ক্ষণস্থায়ী) জগতৰ পৰা বিদায় মাগিছে। আল্লাহ তায়ালাৰ সৈতে লোৱা প্ৰত্যেক শপত তেখেতে যি পুৰ্ণ কৰিছে তাৰ জীৱন কালতেই সেয়া দেখিবলৈ পোৱা যায়। সেই হিচাপে এখেতে সেই লোক সকলৰ ভিতৰত গণ্য হয় যি সকলৰ বিষয়ে হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে এওঁলোক শ্বহীদ। আল্লাহ তায়ালা এখেতক সেই সকলৰ মাজত অন্তৰ্ভূক্ত কৰক। লগতে সেই সকলোবোৰ আহমদী যি সকলৰ এই বেমাৰত মৃত্যু হৈছে, আল্লাহ তায়ালা তেওঁলোকৰ ওপৰত করুনাৰে ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক। সকলোকেই মোৰ দোৱা হল যে প্ৰত্যেকেই যেন আল্লাহ তায়ালাৰ কৃপা আৰু ক্ষমা অৰ্জন কৰোঁতা হয়। (আমিন)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 10 April . 2020**

**(BOOK POST PARINTED MATTER)**

**To**

---------------------------------------------------------------------

---------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**